# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-10-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

০০০০০০০

১। অসম মন্ত্ৰীসভাত দপ্তৰৰ পুনৰ বণ্টন। নতুনকৈ অন্তৰ্ভুক্ত বি পি এফ চৰণ বড়োক বড়োলেণ্ড কল্যাণ আৰু পৰিবহণৰ বিভাগৰ দায়িত্ব।

২। অসম আৰক্ষীৰ ৩৬ গৰাকী উচ্চ পদস্থ বিষয়াৰ পদৰ সাল-সলনি।

৩। ৰহাৰ ঐতিহাসিক ফুলগুৰি ধেৱাৰ স্মৃতি বিজড়িত মানুহপোৱা বিলৰ ভূমি শীঘ্ৰেই দখলমুক্ত কৰা হ'ব বুলি ৰাজ্য চৰকাৰৰ প্ৰকাশ।

৪। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত অসমত ৰে'লসেৱাৰ জনমুখীকৰণ সন্দৰ্ভত আলোচনা।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটত আজি ভাৰত, ইংলেণ্ডৰ মুখামুখি।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত দপ্তৰৰ কিছু সাল-সলনি কৰা হৈছে। কালি নতুনকৈ অন্তৰ্ভুক্ত বি পি এফৰ বিধায়ক চৰণ বড়োক বড়োলেণ্ড কল্যাণ বিভাগৰ লগতে পৰিবহণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। পূৰ্বে পৰিবহণ বিভাগ যোগেন মহনৰ আৰু বড়োলেণ্ড কল্যাণ বিভাগ উৰ্খাও গৌড়া ব্ৰহ্মৰ দায়িত্বত আছিল। সম্প্ৰতি শ্ৰীব্ৰহ্ম ভূমি সংৰক্ষণ, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ দায়িত্বত থাকিব। মন্ত্ৰী যোগেন মহনৰ পৰিবহণ দপ্তৰ কৰ্তন কৰি নতুনকৈ লোকনিৰ্মাণ, গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ দায়িত্ব দিয়া হৈছে। পূৰ্বৰ দৰে শ্ৰীমহন পাৰ্বত্য উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিকাশ তথা সংস্কৃতিৰ বিভাগৰ দায়িত্বত থাকিব। একেদৰে মন্ত্ৰী নন্দিতা গাৰ্লোচাক লোকনিৰ্মাণ, গৃহ আবু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ পৰা অব্যাহতি দিয়া হৈছে। মন্ত্ৰীগৰাকী পূৰ্বৰ দৰে ক্ৰীড়া আৰু যুৱ কল্যাণ তথা সংখ্যালঘু উন্নয়ন বিভাগৰ দায়িত্বত থাকিব। উল্লেখযোগ্য যে, কালি গুৱাহাটীৰ ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই বি পি এফৰ চৰণ বড়োক মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায়।

০০০০০০০

ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগে এটা নিৰ্দেশ যোগে অসম আৰক্ষীৰ ৩৬ গৰাকী উচ্চ পদস্থ বিষয়া বদলি কৰিছে। এই অনুসৰি শ্ৰীভূমিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসক কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অৰ্থাৎ এছ এছ পি হিচাপে বদলি কৰা হৈছে। ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেক অনুৰূপ পদত শ্ৰীভূমি জিলালৈ

বদলি কৰা হৈছে। কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ কামাণ্ডেণ্ট দেৱাশীষ বৰাক ধুবুৰীৰ এছ্ এছ পি হিচাপে আৰু কাছাৰৰ এছ্ এছ্ পি নোমল মাহাত্তাক কোকৰাঝাৰৰ এছ্ এছ্ পি হিচাপে বদলি কৰা হৈছে। কোকৰাঝাৰৰ অনুৰূপ দায়িত্বত থকা পুষ্পৰাজ সিঙক কাৰ্বি আংলঙলৈ আৰু কাৰ্বি আলঙৰ এছ্ এছ্ পি সঞ্জীৱ কুমাৰ শইকীয়াক কামৰূপলৈ বদলি কৰা হৈছে। একেদৰে শিৱসাগৰৰ এছ্ এছ্ পি শুভ্ৰজ্যোতি বৰাক যোৰহাটলৈ আৰু যোৰহাটৰ এছ্ এছ্ পি শ্বেতাংগ মিশ্ৰক কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ কামাণ্ডেণ্ট হিচাপে বদলি কৰা হৈছে। গুৱাহাটীৰ অতিৰিক্ত উপ আৰক্ষী আয়ুক্ত সম্ভৰী মিত্ৰক গুৱাহাটী মধ্য আৰক্ষী জিলাৰ উপ আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে গুৱাহাটীৰ উপ আৰক্ষী আয়ুক্ত পদ্মনাভ বৰুৱাক দুৰ্নীতি নিবাৰক শাখাৰ এছ্ এছ্ পি হিচাপে নিযুক্তি দিয়া হৈছে।

0000000

ৰহাৰ ঐতিহাসিক ফুলগুৰি ধেৱাৰ স্মৃতি বিজড়িত মানুহপোৰা বিলৰ ভূমি শীঘ্ৰেই দখলমুক্ত কৰা হ'ব বুলি ৰাজ্য চৰকাৰে প্ৰকাশ কৰিছে। কালি ফুলগুৰি ধেৱা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত  মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই  এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ফুলগুৰিৰ ধেৱাত ইংৰাজৰ গুলীত মৃত্যু হোৱা লোকসকলক গোপনে সৎকাৰ কৰা মানুহপোৰা বিল হিচাপে খ্যাত অঞ্চলটো অবৈধ দখলকাৰীৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ভূমি দখলমুক্ত কৰি ফুলগুৰি ধেৱাৰ নামত পঞ্জীয়ন কৰিব বুলি প্ৰকাশ কৰে। ৰহাৰ বিধায়ক শশীকান্ত দাসে মানুহ পোৰা বিলতো এটা স্মৃতিসৌধ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

কালি নগাঁও জিলাৰ ৰহাৰ ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰে ১৬৪ সংখ্যক ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস পালন কৰা হয়। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ফুলগুৰি ধেৱা স্মৃতি সৌধত বন্তি প্ৰজ্বলন কৰে। মন্ত্ৰীগৰাকীয়ে ফুলগুৰি ধেৱা ব্ৰিটিছ্ শাসনৰ এক কৰুণ কাহিনী বুলি মন্তব্য কৰে।

0000000

কেন্দ্ৰীয় চৰকাৰৰ আদি কৰ্মযোগী অভিযান ৰূপায়ণত ডিব্ৰুগড়, যোৰহাট আৰু গোলাঘাট জিলাই শ্ৰেষ্ঠ জিলা হিচাপে সন্মান কঢ়িয়াই আনিছে। নতুন দিল্লীত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ অনুষ্ঠানত  জিলা তিনিখনত দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলা হিচাপে সন্মানিত কৰা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ হৈ জিলাখনৰ সহকাৰী আয়ুক্ত ৰীমা তৃষ্ণা হালৈয়ে যোৱা ১৭ অক্টোবৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত এই বঁটা গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অভিলাষী আঁচনি আদি কৰ্মযোগী অভিযানৰ অধীনত জনজাতীয়   কল্যানৰ ক্ষেত্ৰত উৎকৃষ্টতা আৰু সৰ্বাত্মক বিকাশৰ বাবে গ্ৰহণ কৰা উল্লেখযোগ্য প্ৰচেষ্টালৈ এই স্বীকৃতি প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে জিলা কেইখনত কৰ্মৰত সকলো বিষয়া কৰ্মচাৰী, জিলা সমন্বয়ক, প্ৰশিক্ষক আৰু সংশ্লিষ্ট সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

0000000

কাজিৰঙাৰ অগৰাতলী বনাঞ্চল কালিৰে পৰা পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। কালি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে কেইবাগৰাকীও দেশী-বিদেশী পৰ্যটক উপস্থিত থাকে। প্ৰৱেশদ্বাৰ মুকলি কৰাৰ পাছতেই মন্ত্ৰী শ্ৰীবৰা আৰু সাংসদ তাছাৰ লগতে পৰ্যটকসকলে জীপ ছাফাৰী কৰে।

ইপিনে, ভাৰতৰ সৈতে বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰা আৰু বিনিয়োগৰ ক্ষেত্ৰত অধ্যয়নৰ লগতে কাজিৰঙাৰ মৌ পালন আৰু বিপণন কাৰ্য পৰিদৰ্শনৰ বাবে উদ্যানখনলৈ অহা নিউজিলেণ্ডৰ কূটনীতিবিদ এশ্বান জয়বৰ্ধনৰ নেতৃত্বত অহা দলটোৱে কালি অগৰাতলী বনাঞ্চল পৰিভ্ৰমণ কৰে। তেওঁ জাপৰীপথাৰত গাওঁখনৰ পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিৰ উদ্যোগত গাঁওবাসীয়ে কৰা মৌপালন কাৰ্য পৰিদৰ্শন কৰে। তেওঁলোকে মহিলাসকলক এই কামক ভূয়সী প্ৰশংসা কৰে। দলটোৱে অন্যান্য স্থানতো মৌপালন কাৰ্য পৰিদৰ্শন কৰে। ইয়াৰ পাছতে শ্ৰীজয়বৰ্ধনে কৃষিমন্ত্ৰী অতুল বৰাৰ সৈতে কৃষি উৎপাদন ক্ষেত্ৰত বিনিয়োগৰ সম্ভাৱনা সন্দৰ্ভত বৈঠকত মিলিত হয়।

০০০০০০০

বিগত ১০-১৫ বছৰত অসমত চলাচল কৰা ৰে'লৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ৰেলপথৰ দ্বৈতকৰণ আৰু বৈদ্যুতিকীকৰণকে ধৰি উন্নয়নমূলক কামসমূহ দ্ৰুত গতিত সম্পন্ন হৈছে। অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজঙে এই বিষয়ে প্ৰকাশ কৰে।

*-বাইট-*

অসমত যাত্ৰীৰ চাহিদা অনুসৰি দীৰ্ঘ দূৰত্বৰ আৰু স্থানীয় যাত্ৰীবাহী ৰে'লৰ চলাচল কম আৰু সেয়েহে চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা উচিত বুলি অনুষ্ঠানটোত অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ আৰু দ্বৈতকৰণৰ কাম প্ৰায় সম্পন্ন হৈছে যদিও উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৱে এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰলৈ আগতীয়াকৈ প্ৰস্তাৱ প্ৰেৰণ নকৰাৰ বাবে ৰাজ্যখনত এতিয়াও বৈদ্যুতিক ৰে'লৰ চলাচল সম্ভৱ হোৱা নাই।

*-বাইট-*

অনুষ্ঠানত সাংবাদিক ত্ৰিদীপ লহকৰে ৰে'লগাড়ী আৰু প্লেটফৰ্মৰ লগতে ৰে'লৱে পৰিসৰৰ আধুনিকীকৰণ তথা পৰিচ্ছন্নতা আৰু শৌচাগাৰ প্ৰস্বাৱগাৰসমূহ চাফ-চিকুণ কৰি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

*-বাইট-*

এই আলোচনাৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

ৰাজ্যখনৰ জনসাধাৰণৰ সহায় হোৱাকৈ ৰে'লসেৱাক অধিক জনমুখী কৰি তোলাৰ লক্ষ্যৰে অসম ৰে'লযাত্ৰী সংস্থাৰ উদ্যোগত আজি গুৱাহাটীত মুকলি আলোচনা অনুষ্ঠিত হ'ব। গুৱাহাটী জিলা পুঁথিভঁৰালৰ সমীপৰ সাহিত্য সভা ভৱন চৌহদৰ ৰাধা গোৱিন্দ বৰুৱা প্ৰেক্ষাগৃহত আজি দিনৰ ১ বজাৰ পৰা হ'বলগীয়া এই আলোচনাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সাংসদ, নিৰন্ধকাৰ আৰু জ্যেষ্ঠ সাংবাদিকে অংশগ্ৰহণ কৰিব। সভাত ৰে'ল সমস্যাৰ বিভিন্ন দিশ আলোচনা কৰি কেইটামান সু-নিৰ্দিষ্ট পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ লগতে ৰে'ল কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হ'ব বুলি অসম ৰে'ল যাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই প্ৰেছ বিজ্ঞপ্তি যোগে প্ৰকাশ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান, যোৰহাটৰ পিৰাকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত অহা ৩১ অক্টোবৰৰ দিনৰ ২ বজাত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানত পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ' ছেট লাভ কৰিব। আজিৰ বাতৰিত আমি যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰা অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাই পঢ়া বাতৰিৰ কিছু অংশ প্ৰচাৰ কৰিবলৈ লৈছো।

***-বাইট -***

০০০০০০০

স্বেচ্ছাসেৱী সংস্থা পথিকৰ উদ্যোগত গুৱাহাটীত প্ৰতি দেওবাৰে দিনৰ ১০ বজাৰ পৰা ৪ বজালৈ চিকিৎসকৰ বিনামূলীয়া পৰামৰ্শ সেৱাৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি আজি নাৰেংগীৰ এঞ্জেল ডায়গেনষ্টিক চেণ্টাৰত এই সেৱা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, বিগত ২২ বছৰে পথিক নামৰ সংস্থাটোৱে ১৪টা বিশেষ প্ৰকল্পৰে মহিলাৰ স্বাস্থ্য আৰু স্বচ্ছতা, শিশুৰ স্বাস্থ্য, ৰক্তদান, বিশেষভাৱে সক্ষমসকলৰ বাবে সুবিধা প্ৰদানকে ধৰি সমাজলৈ বৰঙণি যোগাই আহিছে।

০০০০০০০

আই চি চি মহিলা ক্ৰিকেট বিশ্বকাপত ভাৰতে আজি ইংলেণ্ডৰ মুখামুখি হ'ব। মধ্যপ্ৰদেশৰ ইন্দোৰত অৱস্থিত হলকাৰ ষ্টেডিয়ামত বিয়লি ৩ বজাত খেলখন আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে একেৰাহে দুবাৰ পৰাজিত হোৱাৰ পাছত দলটো তালিকাৰ চতুৰ্থ স্থানত আছে। ইংলেণ্ড বৰ্তমান তালিকাৰ তৃতীয় স্থানত আছে।

ইপিনে, কালি নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত কলম্বোত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে বিঘ্নিত হয়। পাকিস্তানে ২৫ অভাৰত ৫টা উইকেটৰ বিনিময়ত ৯২ ৰান কৰে। বৰ্তমানলৈ পাকিস্তানে এখনো খেলত জয়লাভ কৰা নাই আৰু তালিকাৰ শেষৰ স্থানত আছে।

০০০০০০০

## *News Paper Review*

চহা কৃষক অসমীয়াই পথাৰত চাকি জ্বলাই অসমীয়াৰ বাপতিসাহোন কাতি বিহু পালন কৰা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মাজুলীৰ আউনীআটী সত্ৰত আকাশবন্তি প্ৰজ্বলন কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এমহীয়া আদ্যশ্ৰাদ্ধ আয়োজনৰ বাতৰিটোৱে আজি প্ৰকাশিত আটাইকেইখন কাকতটে ভিন ভিন শিৰোনামেৰে স্থান দখল কৰিছে। বাতৰিটো দৈনিক অসম আৰু দৈনিক

জনমভূমি কাকতে মুখ্য বাতৰিত স্থান দিছে। সদৌ অসম ছাত্ৰ সন্থাই শান্তিপূৰ্ণভাৱে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰিবলৈ ৰাইজক আহ্বান জনোৱাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যৰ ছটা জনগোষ্ঠী মৰাণ, মটক, চুতীয়া, কোচ-ৰাজবংশী, আহোম আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণৰ সন্দৰ্ভত অহা ২৫ নৱেম্বৰত বিধানসভাত মন্ত্ৰীগোটে প্ৰতিবেদন দাখিল কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। এই সন্দৰ্ভত ৰাজ্যৰ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে কালি পাণবজাৰস্থিত জনজাতিৰ জিৰণিচ'ৰাত বৈঠক অনুষ্ঠিত কৰি অসম চুক্তিৰ ৬ নম্বৰ দফাৰ সঠিক ৰূপায়ণেহে অসম ৰক্ষা কৰিব বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ স্থান দিছে। **আগবঢ়া জনগোষ্ঠীসমূহৰ জনজাতিকৰণৰ বিৰোধিতাৰে ১০ নৱেম্বৰত খানাপাৰাত সমাৱেশ** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মাজবাট সমষ্টিৰ বিপিএফ দলৰ বিধায়ক চৰণ বড়োৱে পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰীৰূপে শপত লোৱাৰ বাতৰিটো অসমীয়া খবৰ, আমাৰ অসম আৰু দা চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

আমিনগাঁৱত চলি থকা বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ অন্তিম তথা চতুৰ্দশ দিনটোত আজি একক ছোৱালী শাখাৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতৰ তনভী শৰ্মাই থাইলেণ্ডৰ শ্বাটলাৰৰ সন্মুখীন হ'ব। তনভী শৰ্মাই একক ছোৱালী শাখাৰ ছেমি ফাইনেলত কৰি সোণৰ পদক অৰ্জন কৰাৰ সুযোগ লাভ কৰিছে। উল্লেখযোগ্য যে তনভী শৰ্মাই কালি চীনৰ লিউ ছি য়াক পৰাস্ত কৰি বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু দিনৰ সময়ছোৱাত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**